REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-10-2023
Time : 1800 Hrs.

**ASSAMESE EVENING BULLETIN**

অসম মাধ্যমিক শিক্ষা পৰিষদে ২০২৪ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সময় সূচী ঘোষণা কৰিছে। পৰিষদে প্ৰকাশ কৰা সময় সূচী অনুসৰি অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চলৈকে এই পৰীক্ষা অনুষ্ঠিত হ'ব। অৱশ্যে মূল পৰীক্ষাৰ পূৰ্বে পৰিষদে অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত ব্যৱহাৰিক পৰীক্ষাসমূহ অনুষ্ঠিত কৰিব। উল্লেখযোগ্য যে পৰিষদে ইতিমধ্যে ঘোষণা কৰা অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথমবাৰৰ বাবে অ' এম আৰ ছীট ব্যৱহাৰ কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক বস্তুধৰ্মী প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে অ' এম আৰ ছীট প্ৰদান কৰা হ'ব। ইংৰাজী, সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু সমাজ বিজ্ঞান বিষয়কেইটাৰ ক্ষেত্ৰত মুঠ ৫০ শতাংশকৈ বস্তুধৰ্মী প্ৰশ্ন থাকিব। একোটা প্ৰশ্নৰ বিপৰীতে এক নম্বৰকৈ থাকিব আৰু এগৰাকী পৰীক্ষাৰ্থীক এখন অ' এম আৰ ছীট প্ৰদান কৰা হ'ব। বাকী ৫০ শতাংশ প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে শিক্ষাৰ্থীসকলক ১৬ পৃষ্ঠাৰ উত্তৰবহী প্ৰদান কৰা হ'ব।  ইফালে ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্তত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীসকলৰ বাবে আজিৰে পৰা অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ৩১ অক্টোবৰলৈকে অনাইল প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া চলি থাকিব।

০০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে ঐতিহাসিক চৰাইদেউ মৈদামস্থলীত উপস্থিত হোৱা ইউনেস্ক'ৰ পৰ্যবেক্ষক লীম-চিং-চিয়াঙে আজি  পুৱা মৈদামস্থলীৰ ঐতিহাসিক সমলসমূহ পৰিদৰ্শন কৰে। তেওঁ স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে।  আজি নিশাটো ডিব্ৰুগড়ত কটাই তেওঁ ছিংগাপুৰ অভিমুখে যাত্ৰা কৰিব। শনিবাৰে চৰাইদেউ মৈদামত উপস্থিত হোৱা চিয়াঙে মৈদামস্থলীৰ প্ৰত্নতত্ব সঞ্চালকালয় আৰু কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ অধীনত থকা মৈদামস্থলীৰ সকলো দিশ সামৰি পৰ্যবেক্ষণ কৰে। কালি সন্ধিয়া তেওঁ চলাপথাৰ শ্যাম গাঁৱত আয়োজিত এটা কাৰ্যসূচীতো অংশ লয়। গাঁওখনৰ ৰাইজে বিশেষজ্ঞগৰাকীক আদৰণি জনাই বিহুনাচ, গীত-মাত আদি পৰিৱেশন কৰাৰ লগতে জনগোষ্ঠীয় আহাৰেৰে আপ্যায়ন কৰে। উল্লেখযোগ্য যে বিশেষজ্ঞগৰাকী এই মৈদাম সম্পৰ্কীয় প্ৰতিবেদনৰ ভিত্তিতেই চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাটো নিৰ্ভৰ কৰিব।

০০০০০০০

ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ছিকিম কেন্দ্ৰৰ উদ্যোগত যোৱা ২০ ছেপ্তেম্বৰৰ পৰা মাজুলীৰ উত্তৰ-কমলাবাৰী সত্ৰৰ শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত অনুষ্ঠিত ২০ দিনীয়া কৰ্মশালাৰ আজি সামৰণি পৰে। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ শিল্পীসকলে প্ৰশিক্ষণ প্ৰদান কৰা এই কৰ্মশালাত উত্তৰ প্ৰদেশ, পশ্চিমবংগ, বিহাৰ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, হিমাচল প্ৰদেশ, অৰুণাচল প্ৰদেশৰ লগতে ৰাজ্যখনৰ বিভিন্ন জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সত্ৰীয়া কৃষ্টিৰ

সমল সম্পৰ্কত প্ৰশিক্ষণ গ্ৰহণ কৰে। শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি  অংকীয়া নাট ৰামবিজয়, সত্ৰীয়া নৃত্য, বৰগীত, মুখাশিল্প, সচিত্ৰ ভাগৱতৰ আৰ্হিত চিত্ৰকলা, ৰূপসজ্জা আদি সন্দৰ্ভত কৰ্মশালাত প্ৰশিক্ষণ দিয়া হয়। আজি সন্ধিয়া সত্ৰৰ নৱ-নিৰ্মিত সাংস্কৃতিক ভৱনত প্ৰশিক্ষাৰ্থীসকলে ৰামবিজয় নাট পৰিৱেশন কৰিব।

০০০০০০০

জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে আজি গোলাঘাট জিলাত ৫খন নতুন জলসিঞ্চন আঁচনিৰ অধাশিলাৰ স্থাপন কৰে। মুঠ ৪২ কোটি টকা ব্যয় সাপেক্ষ এই আঁচনি কেইখনে এহেজাৰ ৯০ হেক্টৰ কৃষি ভূমি জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ লগতে সহস্ৰাধিক কৃষক উপকৃত হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে গোলাঘাট পৌৰ সভাৰ উদ্যোগত আৰু স্বচ্ছ ভাৰত অভিযানৰ সহযোগিতাত আয়োজিত অনুষ্ঠানত চাফাই কৰ্মীসকলৰ মাজত পোছক বিতৰণ কৰাৰ লগতে পি এম স্বনিধিৰ অধীনত হিতাধিকাৰীসকলক ঋণৰ অনুমোদন পত্ৰ প্ৰদান কৰে। তেওঁ লগতে গোলাঘাট আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন পৰ্যালোচনা বৈঠকত জলসিঞ্চন বিভাগ আৰু গোলাঘাট পৌৰ সভাৰ বিভিন্ন নগৰ উন্নয়নমূলক পদক্ষেপৰ অগ্ৰগতি আৰু জিলাখনত জলসিঞ্চন আঁচনিসমূহ ৰূপায়ণৰ বিষয়ে বুজ লয়। এই বৈঠকত নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয় আৰু  গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ কাৰিকৰী কোষৰ বিষয়েও আলোচনা কৰা হয়। এই কাৰ্যসূচীকেইটাত বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ টাচা, বিধায়ক বিশ্বজিৎ ফুকনো উপস্থিত আছিল।

০০০০০০০

ধেমাজি জিলা কৃষি বিভাগে জিলাখনৰ কৃষি ক্ষেত্ৰ উন্নয়নৰ বাবে বিভিন্ন কৃষি উপযোগী যন্ত্ৰ বিতৰণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱাই জিলাখনৰ কৃষকসকলক বছৰত তিনিটাকৈ খেতি কৰাৰ পৰামৰ্শ দিয়ে। ইফালে, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি জিলাখনৰ কৃষকসকলৰ মাজত ২০২৩-২৪ বৰ্ষৰ বাবে ৰবি শস্যৰ বীজ আৰু কৃষি কাৰ্যৰ সৈতে জড়িত সা-সঁজুলি বিতৰণৰ এটা কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত বিধায়ক ভূবন গামৰ লগতে জিলাখনৰ কৃষি বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০

সমাপ্ত